**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date : 12**-08-2024
**Time :** 1845 Hrs.

***ASSAMESE REGIONAL EVENING BULLETIN***

**:::::::::::::::::::::::::::::::::::**

## ***HEADLINE***

১। অসম বিধানসভাৰ কামকাজ ডিজিটেল কৰি তোলাৰ উদ্দেশ্যে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ নেচনেল **ই-বিধান** এপৰ লগতে কেইবাটাও নতুন ব্যৱস্থা উদ্বোধন।

২। বিশেষ নিযুক্তি প্ৰক্ৰিয়াৰ অংশ হিচাপে প্ৰাথমিক শিক্ষা সঞ্চালকালয়ে প্ৰকাশ কৰা ৩৫ হাজাৰ ১৩৩টা শিক্ষক পদৰ বিজ্ঞাপনত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ স্থগিতাদেশ।

৩। মহাবীৰ লাচিত বৰফুকনৰ বীৰত্বৰ গাঁথা বিশ্বৰ বিভিন্ন প্ৰান্তৰ জনসাধাৰণৰ মাজলৈ লৈ যোৱাৰ উদ্দেশ্যে তথ্যচিত্ৰ নিৰ্মাণৰ বাবে প্ৰচাৰ ভাৰতীৰ সৈতে ৰাজ্য চৰকাৰৰ বুজাবুজিৰ চুক্তিত স্বাক্ষৰ।

৪। ৰাজ্যসভাৰ খালী হোৱা আসন দুখনৰ সন্দৰ্ভত ৰাজ্যিক বিজেপিৰ নিৰ্বাচনী সমিতিৰ বৈঠক।

*আৰু*

৫। হাতী আৰু মানুহৰ সংঘাত দূৰ কৰাৰ উদ্দেশ্যে বিশ্বৰ বিভিন্ন প্ৰান্তৰ লগত অসমতো আজি বিশ্ব হস্তী দিৱস পালন।

০০০০০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি অসম বিধানসভা চৌহদত কেইবাটাও কাৰ্যসূচীৰ আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰে। বিধানসভা চৌহদত কুইন্‌ছ ল'ন, বিধানসভাৰ লাইভ ষ্টুডিঅ', নেভা সেৱা কেন্দ্ৰ, মূল সভাকক্ষ আৰু নেচনেল ই-বিধান এপ্লিকেচনো মুখ্যমন্ত্ৰীয়ে মুকলি কৰে। বিধানসভাৰ কাম-কাজ ডিজিটেল আৰু কাগজবিহীন কৰি তোলাৰ ডিজিটেল ইণ্ডিয়া কাৰ্যসূচীৰ অধীনত এই এপ মুকলি কৰা হৈছে। আনহাতে, নেভা এপ্লিকেচনৰ সহায়ত সমগ্ৰ সদনৰ কাম-কাজ সুন্দৰভাৱে পৰিচালনা কৰাৰ লক্ষ্য লোৱা হৈছে। ইয়াৰ সহায়ত দেশৰ সকলো বিধি-বিধান একে সময়তে আৰু একেখন মঞ্চত লাভ কৰাটো সুচল হৈ উঠিব। আনহাতে, ইয়াৰ দ্বাৰা তথ্য সংগ্ৰহৰ বাবে জাননী প্ৰেৰণৰ প্ৰক্ৰিয়া সম্পূৰ্ণৰূপে নাইকিয়া হ'ব বুলি আশা কৰা হৈছে। আজিৰ অনুষ্ঠানত অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰী, উপাধ্যক্ষ ডাঃ নোমল মমিন, বিৰোধী দলপতি দেৱব্ৰত শইকীয়া, কেন্দ্ৰীয় চৰকাৰৰ সংসদীয় পৰিক্ৰমা মন্ত্ৰালয়ৰ অতিৰিক্ত সচিব ড° সত্য প্ৰকাশৰ লগতে ৰাজ্যৰ কেইবাগৰাকীও মন্ত্ৰী তথা বিধায়কসকল উপস্থিত থাকে।

০০০০০০০০

গুৱাহাটী উচ্চ ন্যায়ালয়ে বিশেষ নিযুক্তি প্ৰক্ৰিয়াৰ অংশ হিচাপে প্ৰাথমিক শিক্ষা সঞ্চালকালয়ে প্ৰকাশ কৰা ৩৫ হাজাৰ ১৩৩টা শিক্ষক পদৰ বিজ্ঞাপনত আজি অন্তৰৱৰ্তীকালীন স্থগিতাদেশ জাৰি কৰিছে। লগতে ন্যায়ালয়ে সমগ্ৰ বিষয়টোৰ সন্দৰ্ভত চৰকাৰী পক্ষক নিজৰ স্থিতি স্পষ্ট কৰাৰ বাবে চাৰি সপ্তাহৰ সময় দিছে। উল্লেখযোগ্য যে সমগ্ৰ শিক্ষাৰ অধীনৰ ষ্টেটপুল আৰু ঠিকা ভিত্তিক শিক্ষকসকলক চাকৰি নিয়মীয়াকৰণ সুযোগ

দি প্ৰথামিক শিক্ষা সঞ্চালকালয়ে যোৱা ৬ আগষ্টৰ পৰা এই পদকেইটাৰ বাবে বিজ্ঞাপন প্ৰকাশ কৰিছে। কিন্তু বেতন সুৰক্ষাসহ চাকৰি নিয়মীয়াকৰণ কৰাৰ পৰিৱৰ্তে শিক্ষা বিভাগে নিযুক্তিৰ বিজ্ঞাপনত কেতবোৰ চৰ্ত আৰোপ কৰাকলৈ টেট শিক্ষকসকলে পৃথকে পৃথকে উচ্চ ন্যায়ালয়ৰ দ্বাৰস্থ হয়। ইয়াৰ ভিত্ততে উচ্চ ন্যায়ালয়ে শিক্ষক পদৰ বিজ্ঞাপনত স্থগিতাদেশ জাৰি কৰে।

oooooooo

অসম চৰকাৰে মহাবীৰ লাচিত বৰফুকনৰ বীৰত্বৰ গাঁথা বিশ্বৰ বিভিন্ন প্ৰান্তৰ জনসাধাৰণৰ মাজলৈ লৈ যোৱাৰ উদ্দেশ্যে এখন তথ্য চিত্ৰ নিৰ্মাণৰ বাবে আজি প্ৰসাৰ ভাৰতীৰ সৈতে এখন বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰে। এই তথ্য চিত্ৰখনত ৫২ টা খণ্ড থাকিব। এই উপলক্ষে আজি আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কয় যে তথ্যচিত্ৰখনৰ জৰিয়তে মহাবীৰগৰাকীৰ বীৰত্বৰ কাহিনী দেশৰ প্ৰতিটো প্ৰান্তৰ লোকৰ মাজত প্ৰচাৰ কৰাৰ উদ্দেশ্যে এই পদক্ষেপ লোৱা হৈছে। এই তথ্যচিত্ৰখন দূৰদৰ্শন আৰু ইয়াৰ অ' টি টি চেনেলসমূহৰ জৰিয়তে সম্প্ৰচাৰ কৰা হ'ব। তথ্যচিত্ৰখন নিৰ্মাণত কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰে ১০ কোটিকৈ মুঠ ২০ কোটি টকা ব্যয় কৰিব। আজিৰ অনুষ্ঠানত দূৰদৰ্শনৰ উপ-সঞ্চালকপ্ৰধান অমিত কুমাৰ আৰু ৰাজ্যৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ সঞ্চালক মীনাক্ষি দাস নাথৰ উপস্থিতিত এই চুক্তি স্বাক্ষৰ কৰা হয়। অনুষ্ঠানত দূৰদৰ্শনৰ সঞ্চালকপ্ৰধান কাঞ্চন প্ৰসাদো উপস্থিত থাকে।

oooooooo

৭৮ সংখ্যক স্বাধীনতা দিৱস উপলক্ষে দেশৰ অন্যান্য অঞ্চলসমূহৰ লগতে ৰাজ্যৰ বিভিন্ন জিলাত ব্যাপক প্ৰস্তুতি চলাই থকা হৈছে। খানাপাৰাৰ পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰত আৰক্ষী বেটেলিয়ান, অৰ্ধ সামৰিক বাহিনী আৰু এন চি চিৰ দলে পেৰেড অনুশীলন অব্যাহত ৰাখিছে। কেইবাটাও উগ্ৰপন্থী সংগঠনে স্বাধীনতা দিৱস বৰ্জনৰ বাবে জনোৱা আহ্বানৰ পৰিপ্ৰেক্ষিতত গুৱাহাটী মহানগৰীত নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰি তোলা হৈছে। গুৱাহাটী ৰে'ল ষ্টেচনতো ৰে'ল সুৰক্ষা বাহিনীয়ে সতৰ্ক দৃষ্টি ৰাখিছে। আজি ৰে'ল সুৰক্ষা বাহিনীয়ে স্নিফাৰ ডগৰ সহায়ত ৰে'ল লাইনসমূহকে ধৰি বিভিন্ন স্থানত অভিযান চলায়। একে সময়তে অসম খাদী আৰু গ্ৰামোদ্যোগ ব'ৰ্ডে স্বাধীনতা দিৱসৰ লগত সংগতি ৰাখি প্ৰায় ছহেজাৰ জাতীয় পতাকা প্ৰস্তুত কৰি উলিয়াইছে। মহানগৰীৰ বিপণীসমূহত ত্ৰিৰংগ পতাকা উভৈনদী হৈ পৰা দেখা গৈছে।

**হৰ ঘৰ তিৰংগা** অভিযানৰ অংশ হিচাপে মৰিগাঁও জিলাৰ বিদ্যালয়সমূহে কাইলৈৰ পৰা ১৫ আগষ্টলৈ ভাৰতৰ স্বাধীনতা সংগ্ৰামত শ্বহীদ হোৱা জিলাখনৰ তিনিজন ব্যক্তি হেমৰাম পাটৰ, গুণাভিৰাম বৰদলৈ আৰু তিলক ডেকাৰ জীৱন যাত্ৰাৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জনাই বিশেষ কাৰ্যসূচীৰ আয়োজন কৰিছে। জিলা প্ৰশাসনে জাতীয় গৌৰৱ প্ৰসাৰিত কৰা জিলাখনৰ বিভিন্ন প্ৰান্তৰ পৰা নিৰ্বাচন কৰা ৩০ গৰাকী ছাত্ৰ-ছাত্ৰীৰ দেশপ্ৰেম আৰু শিল্প প্ৰতিভা প্ৰদৰ্শন কৰাৰ উদ্দেশ্যে ভাৰ্চুৱেল ব্যৱস্থাৰে কাৰ্যসূচী হাতত লৈছে। এই কাৰ্যসূচীত দেশপ্ৰেমমূলক গীত পৰিৱেশন, দেশপ্ৰেমক বিষয়বস্তু হিচাপে লৈ নৃত্য তথা অভিনয় প্ৰদৰ্শন আদি অন্তৰ্ভুক্ত কৰা হৈছে।

নগাঁও জিলা প্ৰশাসনৰ উদ্যোগত চহৰখনৰ ঐতিহ্যমণ্ডিত নেহৰুবালিৰ পৰা আজি ঘৰ ঘৰ তিৰংগা শীৰ্ষক শোভাযাত্ৰা উলিওৱা হয়। জিলাখনৰ আয়ুক্ত, আৰক্ষী অধীক্ষক সমন্বিতে কেইবাজনো চৰকাৰী বিষয়া, কৰ্মচাৰী, আৰক্ষী, অৰ্ধসামৰিক বাহিনীৰ লোকে এই শোভাযত্ৰাত অংশগ্ৰহণ কৰে।

তামুলপুৰতো প্ৰশাসনৰ উদ্যোগত আজি ঘৰ ঘৰ তিৰংগা শীৰ্ষক সজাগতামূলক চাইকেল শোভাযাত্ৰা উলিওৱা হয়। স্থানীয় বিধায়ক জ্বলেন দৈমাৰী আৰু জিলাখনৰ আয়ুক্ত বিদ্যুৎ বিকাশ ভাগৱতীয়ে এই শোভাযাত্ৰা মুকলি কৰে।

ইপিনে ৰাষ্ট্ৰীয় নগৰীয়া জীৱিকা মিছনৰ উদ্যোগত হাইলাকান্দিত এটা ত্ৰিৰংগ পতাকা বিক্ৰী কেন্দ্ৰ মুকলি কৰা হৈছে। হাইলাকান্দি পৌৰসভাৰ উদ্যোগত মুকলি কৰা এই বিক্ৰী কেন্দ্ৰটোত সুলভ মূল্যত পতাকা উপলভ্য কৰা হৈছে আৰু এই কেন্দ্ৰটো মহিলা আত্মসহায়ক গোটে পৰিচালনা কৰিছে।

**যোৰহাট** জিলাতো উত্তৰ-পূব তিতাবৰ মণ্ডল আৰু তিতাবৰ নগৰ মণ্ডল সমিতিৰ সভাপতিসকলৰ উপস্থিতি হৰ ঘৰ তিৰংগা কাৰ্যসূচী সন্দৰ্ভত আলোচনা অনুষ্ঠিত হয়।

**গোলাঘাট** জিলাতো মেৰাপানীৰ ১৪২ নম্বৰ চি আৰ পি এফ বাহিনীয়ে আজি হৰ ঘৰ তিৰংগা সমদল উলিয়ায়। চি আৰ পি এফ চাউনিৰ পৰা শতাধিক জোৱানে হাতে হাতে ৰাষ্ট্ৰীয় পতাকা লৈ উলিওৱা এই শোভাযাত্ৰাত মেৰাপানী আৰক্ষী আৰু স্থানীয় লোকেও অংশগ্ৰহণ কৰে।

শোণিতপুৰ জিলা প্ৰশাসনৰ উদ্যোগত আজি পুৱা দৰং মহাবিদ্যালয়ৰ চৌহদৰ পৰা হৰ ঘৰ তিৰংগা শীৰ্ষক শোভাযাত্ৰা উলিওৱা হয়। আজিৰ কাৰ্যসূচীত জিলাৰ আয়ুক্ত, অতিৰিক্ত আয়ুক্ত প্ৰমুখ্যে কেইবাগৰাকীও প্ৰশাসনিক বিষয়া তথা স্থানীয় লোকেও অংশগ্ৰহণ কৰে।

ডিব্ৰুগড় জিলা প্ৰশাসনৰ উদ্যোগত আৰু জিলা ক্ৰীড়া বিভাগৰ সহযোগত আজি হৰ ঘৰ তিৰংগা কাৰ্যসূচীৰ লগত সংগতি ৰাখি চাইকেল শোভাযাত্ৰা উলিওৱা হয়। জিলাখনৰ আয়ুক্ত, সহকাৰী আয়ুক্তসকল তথা ক্ৰীড়া বিভাগৰ অন্যান্য বিষয়াবৰ্গই শোভাযাত্ৰাৰ আৰম্ভণিতে নিচা মুক্ত ভাৰত গঢ়াৰ সংকল্প গ্ৰহণ কৰে।

মাজুলী জিলা আইন সেৱা প্ৰাধীকৰণে স্বাধীনতা দিৱস উপলক্ষে ছাত্ৰ-ছাত্ৰীসকলক উৎসাহিত কৰাৰ উদ্দেশ্যে আজিৰে পৰা জিলাখনৰ ২১খন উচ্চ মাধ্যমিক বিদ্যালয়ত ৰচনা আৰু চিত্ৰাংকণ প্ৰতিযোগিতাৰ আয়োজন কৰিছে। এই প্ৰতিযোগিতাসমহূ আইন সেৱা প্ৰাধীকৰণৰ অৰ্ধআইনী সেৱকসকলৰ সহযোগত অনুষ্ঠিত কৰা হৈছে।

তিনিচুকীয়া জিলাতো স্বাধীনতা দিৱসৰ প্ৰাক্ক্ষণত নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰি তোলা হৈছে। অসম-অৰুণাচল সীমান্তত কুটাঘাটৰ লক্ষ্যৰে উগ্ৰপন্থী সংগঠনৰ সদস্যই বাহৰ পাতিছে বুলি খবৰ পোৱাৰ পৰিপ্ৰেক্ষিতত সেনা তথা আৰক্ষী সষ্টম হৈ পৰিছে। অসম-অৰুণাচল সীমান্তৰ বনাঞ্চলত অসম আৰক্ষীৰ ব্যাপক অভিযান অব্যাহত ৰাখিছে।

০০০০০০০০

সাংসদ তথা বিৰোধী দলৰ উপ-দলপতি গৌৰৱ গগৈয়ে শিৱসাগৰ জিলাত এটা পাৰপত্ৰ সেৱা কেন্দ্ৰ স্থাপনৰ বাবে দাবী জনাই কেন্দ্ৰীয় বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ডঃ এছ্ জয়শংকৰলৈ পত্ৰ প্ৰেৰণ কৰিছে। সাংসদগৰাকীয়ে পত্ৰখনত কয় যে সম্প্ৰতি থকা পাৰপত্ৰ সেৱা কেন্দ্ৰকেইটা যথেষ্ট দূৰৈত থকা হেতুকে এই স্থানত এনে কেন্দ্ৰ এটা স্থাপন কৰাটো প্ৰয়োজনীয় হৈ পৰিছে। তদুপৰি ছাত্ৰ-ছাত্ৰী, বিভিন্ন পেছাদাৰী লোক আৰু ব্যৱসায়ীসকলৰ বাবে পাৰপত্ৰৰ সুবিধা লাভ কৰাটো সুচল হোৱাৰ ক্ষেত্ৰতো এই কেন্দ্ৰটোৱে সহায় কৰিব বুলি তেওঁ উল্লেখ কৰে। এই কেন্দ্ৰ প্ৰতিষ্ঠাই শিৱসাগৰবাসীকে সহায় কৰা নহয়, বৰং অঞ্চলটোৰ সৰ্বাংগীন বিকাশতো অৰিহণা যোগাব বুলি তেওঁ উল্লেখ কৰে। এইক্ষেত্ৰত বিহিত ব্যৱস্থা ল'বলৈ সাংসদগৰাকীয়ে কেন্দ্ৰীয় মন্ত্ৰীগৰাকীক আহ্বান জনায়।

00000000

প্ৰতিবেশী ৰাষ্ট্ৰ বাংলাদেশত উদ্ভৱ হোৱা পৰিস্থিতি সন্দৰ্ভত এ আই ইউ ডি এফৰ সভাপতি মৌলানা বদৰুদ্দিন আজমলে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহলৈ এখন পত্ৰ প্ৰেৰণ কৰিছে। পত্ৰখনত তেওঁ চুবুৰীয়া ৰাষ্ট্ৰখনত উদ্ভৱ হোৱা পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত সীমান্ত অঞ্চল আৰু দেশৰ অভ্যন্তৰীণ কাৰ্যকলাপ তীক্ষ্ণ দৃষ্টিৰে নিৰীক্ষণ কৰিবলৈ আহ্বান জনায়। তেওঁ বাংলাদেশ সীমান্তৰ সাম্প্ৰতিক পৰিস্থিতি নিৰীক্ষণৰ বাবে সমিতি গঠন কৰাৰ পদক্ষেপক প্ৰশংসনীয় বুলি উল্লেখ কৰি এই পদক্ষেপে ভাৰতীয়সকলৰ লগতে বাংলাদেশৰ সংখ্যালঘু লোকসকলক সহায় কৰিব বুলি মন্তব্য কৰে। তদুপৰি কেন্দ্ৰীয় চৰকাৰক ন'বেল বঁটা বিজয়ী মহম্মদ ইউনুছৰ নেতৃত্বত বাংলাদেশৰ তত্বাৱধায়ক প্ৰশাসনক দেশখনৰ জাতি-ধৰ্ম নিৰ্বিশেষে সকলো লোকৰ শান্তি আৰু সুৰক্ষা পুনৰুদ্ধাৰ কৰাটো নিশ্চিত কৰাৰ বাবে সন্মত কৰাবলৈ তেওঁ গৃহমন্ত্ৰীগৰাকীক আহ্বান জনায়।

00000000

ভাৰতীয় উচ্চ শিক্ষাৰ প্ৰতিষ্ঠানসমূহৰ ভিতৰত আই আই টি গুৱাহাটীয়ে নৱম স্থান অধিকাৰ কৰিছে। কেন্দ্ৰীয় শিক্ষা মন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানে নতুন দিল্লীত ভাৰত মণ্ডপমত আজি ২০২৪ বৰ্ষত শীৰ্ষ স্থানত থকা উচ্চ শিক্ষাৰ প্ৰতিষ্ঠানসমূহৰ তালিকা প্ৰকাশ কৰে। এই তালিকাত আই আই টি মাদ্ৰাছে শীৰ্ষ স্থান দখল কৰাৰ বিপৰীতে আই আই টি বোম্বেয়ে দ্বিতীয় স্থান দখল কৰিছে।

00000000

অসমত ৰাজ্যসভাৰ দুখনকৈ আসন খালী হোৱাৰ পৰিপ্ৰেক্ষিতত আজি গুৱাহাটী মহানগৰীৰ কইনাধৰা ৰাজ্যিক অতিথিশালাত ৰাজ্যিক বিজেপিৰ নিৰ্বাচনী সমিতিৰ এখন গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। ৰাজ্যিক বিজেপিৰ সভাপতি ভবেশ কলিতা, মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, প্ৰভাৰী হৰিশ দ্বিবেদীকে ধৰি নিৰ্বাচনী সমিতিৰ অন্যান্য সদস্যসকলৰ উপস্থিতিত অনুষ্ঠিত বৈঠকত এই আসন দুখন সন্দৰ্ভত আলোচনা কৰা হয়। আলোচনাৰ অন্তত ৰাজ্যিক সভাপতিগৰাকীয়ে সংবাদ মাধ্যমৰ আগত কয় যে ৰাজ্য সভাৰ দুয়োখন আসনৰ বাবে ১০ গৰাকী প্ৰাৰ্থীয়ে আবেদন জনাইছে। আলোচনাৰ অন্তত প্ৰাৰ্থীসকলৰ নাম দিল্লীলৈ প্ৰেৰণ কৰা হৈছে বুলি শ্ৰী কলিতাই জানিবলৈ দিয়ে। তেওঁ কয় যে ৰাজ্য সভাৰ আসন দুখনৰ বাবে প্ৰাৰ্থিত্ব প্ৰদানৰ ক্ষেত্ৰত ৰাষ্ট্ৰীয় সমিতি আৰু সংসদীয় ব'ৰ্ডে সিদ্ধান্ত ল'ব। উল্লেখযোগ্য যে এই আসন দুখনৰ বাবে ডাঃ ৰাজদীপ ৰয়, ৰূপম গোস্বামী, ডº প্ৰদীপ ঠাকুৰীয়া, ৰেখাৰাণী দাসবড়ো, মানৱ ডেকা, ৰামেশ্বৰ তেলী, মিছন ৰঞ্জন দাস, তপন গগৈ, অশোক ভট্টৰায় আৰু অনুপ সিং ৰাজপুৰোহিতে আবেদন দাখিল কৰিছে।

ইপিনে, ৫ খন আসনৰ বাবে হ'বলগীয়া বিধানসভা উপ-নিৰ্বাচন সন্দৰ্ভত ৰাজ্যিক সভাপতিগৰাকীয়ে কয় যে বিহালী, ঢলাই আৰু চামগুৰি সমষ্টিত বিজেপিয়ে প্ৰাৰ্থিত্ব দিব। ইয়াৰ বিপৰীতে বঙাইগাঁৱত মিত্ৰ দল অসম গণ পৰিষদ আৰু চিডলীত ইউ পি পি এলৰ প্ৰাৰ্থী থাকিব বুলি তেওঁ কয়। শ্ৰী কলিতাই লগতে কয় যে উপ-নিৰ্বাচন আৰু সমাগত পঞ্চায়ত নিৰ্বাচন সন্দৰ্ভত বিতংকৈ আলোচনাৰ বাবে অহা ২৪ আগষ্টত বিজেপিৰ ক'ৰ কমিটীৰ এখন বৈঠক অনুষ্ঠিত হ'ব।

00000000

আজি বিশ্ব হস্তী দিৱস। হাতী আৰু মানুহৰ সংঘাত দূৰ কৰাৰ লগতে হস্তীকুলৰ সুৰক্ষা আৰু সংৰক্ষণৰ বাবে এই দিৱস পালন কৰা হয়। ২০১২ চনৰ পৰা প্ৰতি বছৰে এই দিৱস আয়োজিত হৈ আহিছে। এই দিৱস উপলক্ষে আজি হাতী সংৰক্ষণৰ বাবে বিভিন্ন স্থানত সজাগতা কাৰ্যসূচী গ্ৰহণ কৰা হয়। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ বন্যপ্ৰাণী উদ্ধাৰ আৰু পুনৰ সংস্থাপন কেন্দ্ৰত ১৪৮ টা হাতী চিকিৎসা কৰি বনাঞ্চলত মুকলি

কৰি দিয়া হৈছে। কেন্দ্ৰটোৰ চিকিৎসক ডাঃ ভাস্কৰ চৌধুৰীয়ে প্ৰকাশ কৰা মতে হাতী-মানুহৰ সংঘাতৰ বিপৰীতে সহাৰস্থান অত্যন্ত প্ৰয়োজন হৈ পৰিছে। অসমত সম্প্ৰতি ৫ হাজাৰ ৫০০ টা মানহে হাতী আছে বুলি তেওঁ উল্লেখ কৰে। হাতীৰ বিচৰণভূমি হ্ৰাস পোৱাটো ইয়াৰ এটা কাৰণ বুলি তেওঁ মন্তব্য কৰে। মানস ৰাষ্ট্ৰীয় উদ্যানত আজি বিশ্ব হস্তী দিৱসৰ কাৰ্যসূচী গ্ৰহণ কৰা হয়। এই উপলক্ষে উদ্যানখনৰ বাঁহবাৰীৰ মহল কেম্পত বিভিন্ন অনুষ্ঠানৰ আয়োজন কৰা হয়। হাতীসমূহক গা ধুৱাই স্বাস্থ্য পৰীক্ষা কৰা, খাদ্য যোগান ধৰাৰ লগতে সজাগতামূলক সভা অনুষ্ঠিত হয়। এই সভাত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত হাতী সংৰক্ষণৰ প্ৰতি সজাগতা সৃষ্টি কৰাৰ লগতে হাতী সুৰক্ষাৰ শপত গ্ৰহণ কৰোৱা হয়। বন বিভাগৰ উদ্যোগত তথা এটা স্বেচ্ছাসেৱী সংস্থা আৰু তামুলপুৰ প্ৰেছ ক্লাবৰ উদ্যোগত আজি বিশ্ব হস্তী দিৱস উদযাপন কৰা হয়। জিলাখনৰ নাগ্ৰীজুলিৰ গংগামায়া হাইস্কুলত আজি এই উপলক্ষে এখন সজাগতা সভাৰ আয়োজন কৰা হয়। এই সভাত বি টি আৰৰ কেইবাগৰাকীও সদস্য, বন বিষয়া তথা অন্যান্য বিষয়াই অংশগ্ৰহণ কৰে। ওৰাং ৰাষ্ট্ৰীয় উদ্যানৰ বনাঞ্চলিক কাৰ্যালয়ৰ উদ্যোগত ৰাষ্ট্ৰীয় উদ্যানখনৰ দাঁতি কাষৰীয়া শিলবড়ী অঞ্চলত আজি এই দিৱস উপলক্ষে এটা সজাগতামূলক শোভাযাত্ৰা উলিওৱা হয়। গোৱালপাৰা বন সংমণ্ডল আৰু মেঘালয় পশ্চিম গাৰোপাহাৰ জিলা বন বিভাগৰ উদ্যোগত তথা স্বেচ্ছাসেৱী সংস্থা আৰণ্যকৰ সহযোগত আজি বিশ্ব হস্তী দিৱস উপলক্ষে গোৱালপাৰা জিলাৰ দুধনৈৰ সমীপৱৰ্তী নিয়াপলিত প্ৰীতি ফুটবল খেল অনুষ্ঠিত হয়। ১৯ বছৰ অনুৰ্ধৰ মেঘালয়ৰ তুৰাৰ ফুটবল দল আৰু গোৱালপাৰা জিলাৰ ফুটবল দলৰ মাজত খেলখন অনুষ্ঠিত হয়। খেলখনত তুৰা দলে ১-০ গ'লৰ ব্যৱধানত জয়লাভ কৰে। এই খেলখন ৰাভা হাচং স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য টংকেশ্বৰ ৰাভাই উদ্বোধন কৰে। ফুটবল খেলখন চলি থকাৰ মাজতে বন বিভাগে ৫০০ গছ পুলি বিতৰণ কৰে। হাতী আৰু মানুহৰ সংঘাত ৰোধৰ বাবে ব্যাপক সজাগতা সৃষ্টিৰ লক্ষ্যৰে এই খেলখনৰ আয়োজন কৰা হৈছিল।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে হস্তী দিৱস উপলক্ষে হাতীৰ সুৰক্ষাৰ বাবে লোৱা পদক্ষেপসমূহৰ প্ৰশংসা কৰিছে।সামাজিক মাধ্যমযোগে দিয়া এটা পোষ্টত প্ৰধানমন্ত্ৰীয়ে কয় যে হাতী আমাৰ সংস্কৃতি আৰু ইতিহাসৰ সৈতে জড়িত হৈ আছে। তেওঁ হাতীৰ অনুকুল বাসস্থান নিশ্চিত কৰিবলৈ সম্ভৱপৰ সকলো ব্যৱস্থা গ্ৰহণৰ বাবে দিয়া প্ৰতিশ্ৰুতিৰ বিষয়ে পুনৰবাৰ উল্লেখ কৰে। শ্ৰী মোদীয়ে যোৱা কেইটামান বছৰত হাতীৰ সংখ্যা বৃদ্ধি পোৱাত আনন্দ প্ৰকাশ কৰে।

oooooooo

ৰাজ্যখন নিচামুক্ত কৰি তোলাৰ লগতে এখন এইডচমুক্ত সমাজ গঢ়ি তোলাৰ লক্ষ্যৰে আজি গুৱাহাটীত ৰাজ্য চৰকাৰে দুমাহ জোৰা তথ্য, শিক্ষা আৰু যোগাযোগ অৰ্থাৎ আই ই চি অভিযান মুকলি কৰে। অসম এইডচ নিয়ন্ত্ৰণ ছ'চাইটিয়ে আন্তঃৰাষ্ট্ৰীয় যুৱ দিৱসৰ সৈতে সংগতি ৰাখি আয়োজন কৰা অনুষ্ঠানৰ অংশ হিচাপে এই অভিযান মুকলি কৰা হয়। এই অভিযানে মাদক দ্ৰব্যৰ প্ৰচলন অধিক হিচাপে চিনাক্ত হোৱা ১০ খন জিলাৰ এহেজাৰখন গাঁও সামৰি ল'ব। এই জিলাকেইখন হৈছে কামৰূপ মহানগৰ, ধুবুৰী, কোকৰাঝাৰ, শোণিতপুৰ, নগাঁও, যোৰহাট, তিনিচুকীয়া, কাৰ্বিআংলং, কাছাৰ আৰু কৰিমগঞ্জ। এই অনুষ্ঠানত উপস্থিত থাকি মন্ত্ৰী কেশৱ মহন্তই আজি চাৰিখন মহাবিদ্যালয়ৰ লগতে গুৱাহাটী বিশ্ববিদ্যালয়ৰ ৰেড ৰিবণ ক্লাবক এইচ আই ভি আৰু এইড্চ নিয়ন্ত্ৰণৰ ক্ষেত্ৰত সজাগতা সৃষ্টি কৰিবলৈ গ্ৰহণ কৰা পদক্ষেপৰ বাবে মানপত্ৰ প্ৰদান কৰে।

মাজুলী জিলাৰ আয়ুক্ত ড° কাবেৰী বি শৰ্মাৰ উপস্থিতিত আজি জিলা প্ৰশাসনৰ সকলো বিষয়া-কৰ্মচাৰীয়ে নিচামুক্ত ভাৰত অভিযানৰ অধীনত সংকল্প গ্ৰহণ কৰে। তেওঁলোকে ভাৰতক নিচামুক্ত ৰাষ্ট্ৰ হিচাপে গঢ়ি তোলাৰ ক্ষেত্ৰত প্ৰতিগৰাকী নাগৰিকৰ সহযোগিতাৰ বিষয়ে উল্লেখ কৰে। ইয়াৰ সমান্তৰালকৈ জিলাখনৰ কেইবাটাও কাৰ্যালয় তথা প্ৰতিষ্ঠান যেনে - মাজুলী জিলা পৰিষদ, ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়, পশুপালন আৰু পশু চিকিৎসা বিষয়াৰ কাৰ্যালয়, জনস্বাস্থ্য কাৰিকৰী বিষয়াৰ কাৰ্যালয় আদিত নিচামুক্ত ভাৰতৰ সংকল্প গ্ৰহণ কৰা হয়।

গোৱালপাৰা জিলা সমাজ কল্যাণ বিভাগেও আজি গোৱালপাৰা মহাবিদ্যালয় খেল পথাৰত এই অভিযানৰ অংশ হিচাপে ছোৱালীৰ কাবাডী প্ৰতিযোগিতা অনুষ্ঠিত কৰে। কেইবাখনো মহাবিদ্যালয় তথা বিদ্যালয়ৰ ছাত্ৰীয়ে অংশগ্ৰহণ কৰা প্ৰতিযোগিতাত গোৱালপাৰা মহাবিদ্যালয়ৰ ছোৱালী দলে চেম্পিয়ন আৰু কেন্দ্ৰীয় বিদ্যালয়ৰ দলে ৰাণাৰ্ছ আপৰ খিতাপ দখল কৰে। এই অনুষ্ঠানতে ছাত্ৰীসকলক নিচাযুক্ত দ্ৰব্য পৰিহাৰ সম্পৰ্কে শপত বাক্য পাঠ কৰোৱা হয়।

oooooooo

ঃসমাপ্তঃ